ই এক শিক্ষামূলক প্রক্রিয়া যিয়ে প্রদূষণহীন পৰিৱেশ সৃষ্টিত শিক্ষক সকলক ধনাত্মক ধাৰণা দিয়ে।

৪ নং প্রশ্নৰ উত্তৰ ঃ

- ছাত্র ছাত্রীসকলক পৰিৱেশ সম্পকীয় জ্ঞান আহৰণত সহায় কৰাৰ লগতে ইয়াৰ লগত জড়িত বিভিন্ন সমস্যা সমূহো অৱগত কৰোৱা।
- প্রকৃতিৰ নিয়ম সম্পর্কে ছাত্র ছাত্রী সকলক জ্ঞানৰ যোগান ধৰা।
- প্রদূষণ বিহীন পৰিৱেশ সৃষ্টিৰ বাবে শিক্ষকসকলৰ মাজত ধনাত্মক চিন্তাৰ ধাৰণা দিয়া।
- পৰিৱেশৰ বিভিন্ন সমস্যা সমূহৰ সমাধান আৰু পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ বাবে ছাত্র ছাত্রীসকলক বিভিন্ন কার্যসূচীত অংশগ্রহণৰ সুবিধা দিয়া।

৫ নং প্রশ্নৰ উত্তৰ ঃ

- পৰিৱেশ আৰু ইয়াৰ সম্পূর্ণতা।
- জীৱন যোৰা প্রক্রিয়া ।
- এক আন্তঃসম্পর্কযুক্ত ব্যৱস্থা ।
- পৰিৱেশৰ বিভিন্ন সমস্যাৰ জটিলতাক প্রদর্শন।
- পৰিৱেশৰ সমস্যা সমূহৰ সমাধান আৰু ৰোধৰ বাবে সক্রিয় অংশগ্রহণ ।

৬ নং প্রশ্নৰ উত্তৰ ঃ

- পৰিৱেশ শিক্ষাৰ ধাৰণা।
- পৰিৱেশ প্রদূষণ আৰু পাৰিপার্শ্ব ধাৰণা।
- শিক্ষামূলক আৰু মনোবিজ্ঞান মূলক পৰিৱেশৰ ধাৰণা আৰু
- পৰিৱেশৰ ব্যৱস্থাপনাৰ ধাৰণা।



১.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ পৰিৱেশ বুলিলে আপুনি কি বুজে ?

প্রশ্ন ২ঃ পাৰিপার্শ্ব মানে কি?

প্রশ্ন ৩ঃ পৰিৱেশ ৰক্ষাৰ অগ্রগতিত শিক্ষাৰ ভূমিকা কি হোৱা উচিত?

প্রশ্ন ৪ঃ বহনক্ষম (sustainable) বিকাশ বুলিলে আপুনি কি বুজে?

প্রশ্ন ৫ঃ পৰিৱেশ ব্যৱস্থাপনা (management) বুলিলে কি বুজে?

(খ) **ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)**

প্ৰশ্ন ১ঃ পৰিৱেশ শিক্ষাৰ সংজ্ঞা আৰু ইয়াৰ বৈশিষ্ট্যবোৰ লিখক।

প্ৰশ্ন ২ঃ পৰিৱেশ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সমূহ কি কি ? পৰিৱেশৰ ওপৰত সজাগতা সৃষ্টিত শিক্ষাৰ ভূমিকাৰ সম্পৰ্কে আলোচনা কৰক ।

প্ৰশ্ন ৩ঃ পৰিৱেশ শিক্ষা কি ? ইয়াৰ প্ৰকৃতি আৰু পৰিসৰৰ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৪ঃ বৰ্তমান পৰিস্থিতিত পৰিৱেশ শিক্ষা অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব কি ? উদাহৰণৰ সহায়ত বৰ্ণনা কৰক।

*** ***** ***